জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৯২/২০২০

**চত্তিশগড়, গোৱা, দিল্লী, ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ টেলিফোনযোগে বাৰ্তালাপ**

## ৰাষ্ট্ৰজোৰা লক ডাউনৰ সময়ছোৱাত ৰাজ্যৰ বাহিৰত থকা অসমৰ লোকসকলক প্ৰয়োজনীয় সা-সুবিধা আগবঢ়াবলৈ মুখ্যমন্ত্ৰী সোণোৱালৰ অনুৰোধ

**দিছপুৰ, ২০ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজিও দেশৰ কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে। ৰাষ্ট্ৰজুৰি লক ডাউনৰ সময়ছোৱাত ৰাজ্যৰ বাহিৰত আবদ্ধ হৈ থকা অসমৰ লোকসকলক সুৰক্ষিত কৰি ৰখাৰ লগতে প্ৰয়োজনীয় সা-সুবিধা আগবঢ়োৱাৰ দিশ সামৰি মুখ্যমন্ত্ৰী সোণোৱালে তিনিওখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ সৈতে বাৰ্তালাপ কৰে।

মুখ্যমন্ত্ৰী সোণোৱালে আজি ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত সোৰেন, গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ চাৱন্ত, চত্তিশগড়ৰ মুখ্যমন্ত্ৰী ভূপেশ বাঘেল আৰু দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰি অসমৰ আবদ্ধ লোকসকলৰ খাদ্য, নিৰাপত্তা, থকা ব্যৱস্থাকে ধৰি প্ৰয়োজনীয় পদক্ষেপ লোৱাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে দিল্লী, গোৱা আৰু ঝাৰখণ্ডত অধ্যয়নৰ বাবে যোৱা ছাত্ৰ-ছাত্ৰীৰ লগতে ব্যৱসায়, চিকিৎসা, কৰ্মসংস্থাপন আৰু পৰ্যটনৰ উদ্দেশ্যেৰে যোৱা বহু সংখ্যক লোক লকডাউনৰ বাবে আবদ্ধ হৈ পৰিছে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম চৰকাৰে ৰাজ্যখনত লক ডাউনৰ বাবে আবদ্ধ হৈ পৰা অন্য ৰাজ্যৰ লোকসকলৰ নিৰাপত্তাকে ধৰি প্ৰয়োজনীয় সকলো পদক্ষেপ ইতিমধ্যে গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে তেওঁ নিজে প্ৰতিখন জিলাৰ পৰ্যালোচনামূলক বৈঠকত উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক এই সন্দৰ্ভত নিৰ্দেশ দি আহিছে। মুখ্যমন্ত্ৰী কেইগৰাকীৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত ক'ভিড-১৯ সংক্ৰমণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সম্পৰ্কত মুখ্যমন্ত্ৰী সোণোৱালে মত-বিনিময় কৰে।

**পুঃডেঃ / বঃভাঃ**
**২০/৪/২০২০**